# আকষ্মিক দুৰ্ঘটনা

## Chapter – 11

## পৰিৱেশ অধ্যয়ন

**১। ঘৰতে চিকিৎসা কৰিব পৰাকৈ কিছুমান দৰকাৰী বস্তু তোমালোকৰ ঘৰত আছেনে ? যদি আছে বস্তুবোৰৰ নাম লিখা।**

**উত্তৰঃ** ঘৰতে চিকিৎসা কৰিব পৰাৰ বাবে ডেটল , বিশুদ্ধ কপাহ , বেণ্ডেজ , কেচী , বীজাণুনাশক মলম , বিষ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা মলম আদি আছে ।

**২। তলৰ ছবিখনলৈ চোৱা আৰু তাৰ পৰা হ'ব পৰা তিনিটা আকষ্মিক দুৰ্ঘটনাৰ নাম লিখা ।**



**উত্তৰঃ**আকষ্মিক দুৰ্ঘটনা তিনিটা হ'ল –

( ক ) ভৰি মোচোকা খোৱা ।

( খ ) হাত – ভৰি ভঙা ।

( গ ) পৰি চাল – বাকলি যোৱা ।

## অনুশীলনী

**১। উত্তৰ লিখা –**

**( ক ) প্ৰাথমিক চিকিৎসাৰ বাকচত কি কি বস্তু সংগ্ৰহ কৰি ৰাখিব লাগে ?**

**উত্তৰঃ** প্ৰাথমিক চিকিৎসা বাকচত ডেটল , বিশুদ্ধ কপাহ , বেণ্ডেজ , কেচী , বীজাণুনাশক মলম , বিষ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা মলম আদি ৰাখিব লাগে ।

**( খ ) খেঁলোতে হাত – ভৰিত মোচোকা খালে কি কৰিব লাগে ?**

**উত্তৰঃ** মোচোকা খোৱা ঠাইত লগে লগে পৰিষ্কাৰ পানী ঢালিব লাগে। যদি পোৱা যায় বৰফ লগাব লাগে।

**( গ ) কটা – ছিঙাত তেজ ওলালে কি কৰিব লাগে ?**

**উত্তৰঃ** ( i ) কটা ঠাই ডোখৰ টিপা মাৰি ধৰিব লাগে ।

( ii ) কটা ঠাই ডোখৰ পৰিষ্কাৰ পানীৰে ধুব লাগে ।

( iii ) পৰিষ্কাৰ কপাহত ডেটল লগাই কটা ঠাইত লগাব লাগে।

( iv ) নাৰ্জিফুল , মানিমুনি , দুৱৰি বন , বিশল্যকৰণী আদিৰ যিকোনো এটাৰ পাত ভালদৰে ধুই পিহি তেজ ওলোৱা ঠাইত লগাব লাগে ।

( v ) ক’লা কচুৰ ঠাৰিৰ আঠা লগালেও তেজ ওলোৱা বন্ধ হয় ।

( vi ) বৰফ লগালেও তেজ ওলোৱা বন্ধ হয় ।

**( ঘ ) কীট – পতঙ্গই কামুৰিলে কি কি ব্যৱস্থা ল’ব পাৰি ?**

**উত্তৰঃ** ( i ) জোকে কামোৰা ঠাইত ডেটল লগাব লাগে । জোকে কামুৰিলে নিমস , কেঁচা হালধি বা ধপাত আদি সানিলেও জোক সৰি পৰে । তেজ ওলোৱা বন্ধ হয় আৰু ঘা শুকায় ।

( ii ) মৌ – মাখি বা বৰলে কামুৰিলে আদাৰ ৰস বা পিঁয়াজৰ ৰস লগাব লাগে ।

**( ঙ ) মূৰ্চ্ছা গ'লে কি কৰা উচিত ?**

**উত্তৰঃ** ( i ) চকুৰে মুখে ঠাণ্ডা পানী ছটিয়াই দিব লাগে ।

( ii ) চোলাৰ বুটাম , পেণ্টৰ বেল্ট আৰু জোতা খুলি দিব লাগে ।

( iii ) হাত আৰু ভৰিৰ তলুৱা মোহাৰি দিব লাগে ।

( iv ) ভৰি চেঁচা হ'লে তেল মালিচ কৰিব লাগে ।

**( চ ) পানীত পৰা মানুহক আৰোগ্য কৰিবৰ বাবে কি কি ব্যৱস্থা ল'ব পাৰি ?**

**উত্তৰঃ** ( i ) পানীত ডুবা মানুহক তলমূৰকৈ মাটিত শুৱাই দিব লাগে ।

( ii ) পিন্ধি থকা তিতা কাপোৰ সলাই দিব লাগে।

( iii ) তলমূৰকৈ শুৱাই আঁঠু দুটা কোঁচ খুৱাই বুকুৰ ওচৰলৈ কেইবাৰমান অনা – নিয়া কৰিব লাগে , যাতে পেটৰ পৰা পানী বাহিৰলৈ ওলায় ।

**( ছ ) জুয়ে পুৰিলে কি কৰিব লাগে ?**

**উত্তৰঃ** ( i ) জুই পোৰা ঠাই ডোখৰত লগে লগে ঠাণ্ডা পানী ঢালি দিব লাগে বা বৰফ লগাই দিব লাগে ।

( ii ) জুয়ে পোৰা ঠাইত আলু ৰুকি লগাই দিলে পোৰা ঠাইৰ জ্বলা – পোৰা কম হয় ।

( iii ) পোৰা ঠাইত অমিতাৰ আঠা , গাজৰ পিহি লগালে টৌ নুঠে।

**( জ ) খেলোঁতে কি কি সাৱধনতা লোৱা উচিত ?**

**উত্তৰঃ** ( i ) শিল , আইনা টুকুৰা , গজাল আদি পৰি থকা ঠাইত খেলিব নালাগে ।

( ii ) ওখোৰা মোখোৰা ঠাইত খেলিব নালাগে।

( iii ) আলিবাটৰ মাজত খেলিব নালাগে।

( iv ) লাঠি , দা , কটাৰী , জুই হাতত লৈ খেলিব নালাগে।

( v ) খেলি থাকোতে ইজনে – সিজনৰ গালৈ বস্তু দলিয়াব নালাগে।

( vi ) খেলোতে অযথা ঠেলা – হেঁচা কৰিব নালাগে৷

**( ঝ ) কাম কৰোঁতে কি কি ক্ষেত্ৰত সাৱধনা হ'ব লাগে ?**

**উত্তৰঃ** ( i ) কাম কৰোতে খৰধৰ কৰিব নালাগে।

( ii ) দা , কটাৰী , কোৰ আদিৰে কাম কৰোতে অন্য কথালৈ মন দিব নালাগে । দা , কটাৰীৰ ধাৰ থকা ফালটো হাতেৰে ধৰিব নালাগে ।

( iii ) তিতা হাতেৰে বিজুলী ছুইচ চুব নালাগে। ছুইচৰ বিন্ধাত , পেঞ্চিল, গজাল আদি ভৰাব নালাগে ।

( iv ) গৰম কেট্‌লি , কেৰাহী আদিৰ নাল কাপোৰ বা কাগজেৰে ধৰিহে দাঙিব লাগে ।

( v ) জুইৰ কাষত কাগজ , কাপোৰ আদি ৰাখিব নালাগে ।

( vi ) দমকল মাৰোঁতে লাহে লাহে মাৰিব লাগে ।

**২। খালী ঠাই পূৰ কৰা –**

**( ক ) শৰীৰৰ কম পৰিমাণে পোৱা আঘাত ___চিকিৎসাৰ দ্বাৰাই ভাল কৰিব পাৰি ।**

**উত্তৰঃ** প্ৰাথমিক।

**( খ ) কটা ঠাই ডোখৰ ___মাৰি ধৰিব লাগে।**

**উত্তৰঃ** টিপা।

**( গ ) মৌ নাইবা বৰলে বিন্ধিলে ____ৰস লগাব লাগে।**

**উত্তৰঃ** আদা বা পিয়াজৰ।

**( ঘ ) ভৰি চেঁচা হ'লে তেল ____কৰিব লাগে।**

**উত্তৰঃ** মালিচ।

**( ঙ ) সাপে খোঁটা ঠাইডোখৰৰ দুয়োফালে ___মাৰিব লাগে।**

**উত্তৰঃ** টানকৈ ৰচীৰে গাঁঠি।

**( চ ) ___ৰুকি লগাই দিলে পোৰা ঠাইৰ জ্বলা – পোৰা কমে ।**

**উত্তৰঃ** আলু।

**( ছ ) তিতা হাতেৰে ___ নুচুবা ।**

**উত্তৰঃ** বিজুলী ছুইচ।

**( জ ) দা , কটাৰীৰ ___থকা ফালটো ধৰিব নালাগে।**

**উত্তৰঃ** ধাৰ।

**৩। ' ক ' অংশৰ লগত ' খ ' অংশ মিলোৱা –**

| ' ক ' | ' খ ' |
|---|---|
| মূৰ্ছা | তলমুৰকৈ মাটিত শুৱাই দিব লাগে। |
| পানীত ডুবা মানুহক | চকুৱে মুখে পানী ছটিয়াব লাগে। |

| | |
|---|---|
| **মোচোকা খালে** | **আদা নাইবা পিঁয়াজৰ ৰস খুৱাব লাগে।** |
| **মৌ নাইবা বৰলে বিন্ধিলে** | **ঠাণ্ডা পানী ঢালিব লাগে।** |
| **দমকল মাৰোঁতে** | **খেলিব নালাগে।** |
| **ওখোৰা – মোখোৰা ঠাইত** | **লাহে মাৰিব লাগে।** |

**উত্তৰঃ**

| **‘ ক ‘** | **‘ খ ‘** |
|---|---|
| মূৰ্চ্ছা | চকুৰে মুখে পানী ছটিয়াব লাগে। |
| পানীত ডুবা মানুহক | তলমুৰকৈ মাটিত শুৱাই দিব লাগে। |
| মোচোকা খালে | ঠাণ্ডা পানী ঢালিব লাগে। |
| মৌ নাইবা বৰলে বিন্ধিলে | আদা নাইবা পিঁয়াজৰ ৰস খুৱাব লাগে। |
| দমকল মাৰোঁতে | লাহে মাৰিব লাগে। |
| ওখোৰা – মোখোৰা ঠাইত | খেলিব নালাগে। |

**৪। শুদ্ধ উত্তৰটো বাছি উলিওৱা :**

**( ক ) চিকিৎসাৰ সহায় নোলোৱাকৈ আঘাত পোৱাৰ লগে লগে কৰা চিকিৎসাক আকষ্মিক / প্ৰাথমিক চিকিৎসা বোলে ।**

**উত্তৰঃ** চিকিৎসাৰ সহায় নোলোৱাকৈ আঘাত পোৱাৰ লগে লগে কৰা চিকিৎসাক আকষ্মিক চিকিৎসা বোলে ।

**( খ ) বৰফ লগালে তেজ ওলোৱা বন্ধ হয় / নহয় ।**

**উত্তৰঃ** বৰফ লগালে তেজ ওলোৱা বন্ধ হয় ।

**( গ ) জুয়ে পোৰা ঠাইত অমিতাৰ / ছালকুঁৰীৰ পাত খুন্দি প্ৰলেপ দিব লাগে ।**

**উত্তৰঃ** জুয়ে পোৰা ঠাইত ছালকুঁৰীৰ পাত খুন্দি প্ৰলেপ দিব লাগে ।

**( ঘ ) তেজ ওৰোৱা বন্ধ হ'বলৈ অপৰাজিতাৰ শিপা / বিশল্যকৰণীৰ পাত লগাব লাগে ।**

**উত্তৰঃ** তেজ ওৰোৱা বন্ধ হ'বলৈ বিশল্যকৰণীৰ পাত লগাব লাগে ।

**( ঙ ) হাত – ভৰি মোচোকা খালে হালধি পিহি / আলু ৰুকি লগাব লাগে ।**

**উত্তৰঃ** হাত – ভৰি মোচোকা খালে হালধি পিহি লগাব লাগে ।